তোমালোকে বেছি বেছি জীৱনৰ সোৱাদ হৰণকাৰীক স্মৰণ কৰা।" অৰ্থাৎ মৃত্যুক স্মৰণ কৰা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে বেছি বেছি জীৱনৰ সোৱাদ হৰণকাৰীক স্মৰণ কৰা।" অৰ্থাৎ মৃত্যুক স্মৰণ কৰা।
[رواه الترمذي والنسائي وابن ماجه] [হাছান[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত বেছি বেছি মৃত্যুক স্মৰণ কৰিবলৈ উৎসাহিত কৰিছে, কাৰণ মৃত্যুক স্মৰণ কৰিলেহে আখিৰাতৰ বিষয়বোৰ মনলৈ আহিব। ফলত অন্তৰৰ পৰা পৃথিৱীৰ মোহ, লোভ লালসা কমিব। বিশেষকৈ হাৰাম চাহিদাৰ লোভ।

http://www.sunnah.global/hadeeth/as/show/66232